# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-08-2026
**Time :** 1910 Hrs

## *Assamese Evening Bulletin*
## HEADLINES

১।  ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীত ২০২৪ আৰু ২০২৫ বৰ্ষৰ সংগীত নাটক একাডেমী বঁটা আৰু ফেল'শ্বিপ প্ৰদান কৰে।

২।  কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে আজি হৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

৩।  কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে সংসদত গৃহীত হোৱা খনি আৰু খনিজ পদাৰ্থ উন্নয়ন আৰু নিয়ন্ত্ৰণ বিধেয়কে ৰাজহ ব্যৱস্থাৰ গাঠনিৰ ওপৰত কোনো প্ৰভাৱ নেপেলায় বুলি মন্তব্য কৰিছে।

৪।  সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। সদনৰ কামকাজত ব্যাঘাত জন্মোৱাৰ অভিযোগত বিজেপিয়ে বিৰোধী দলসমূহক তীব্ৰ সমালোচনা কৰে।

*আৰু*

৫।  কানাডিয়ান অ'পেন টেনিছ প্ৰতিযোগিতাত যোৱাবাৰৰ বিজয়ী বেন শ্বেল্টন ফাইনেলত ব্ৰেণ্ডন নাকাশ্বিমাৰ মুখামুখি হ'ব।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত  ২০২৪ আৰু ২০২৫ বৰ্ষৰ এশগৰাকীতকৈও অধিক শিল্পীক সংগীত নাটক একাডেমী বঁটা আৰু ফেল'শ্বিপ প্ৰদান কৰে। দেশৰ পৰিৱেশ্য কলা বিশেষকৈ সংগীত, নৃত্য, থিয়েটাৰ, লোক আৰু জনজাতীয় কলা, পুতলা শিল্প, পৰম্পৰাগত থিয়েটাৰ আৰু অন্যান্য শিল্পৰ ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত ভাষণ প্ৰসংগত ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে বঁটা প্ৰাপকসকলৰ কৰ্মৰাজীয়ে আধুনিক ভাৰতৰ প্ৰতিভা আৰু নিষ্ঠা প্ৰতিফলিত কৰিছে। সংগীতৰ বিভিন্ন ধাৰা, নৃত্যৰ নানা শৈলী আৰু লোক নৃত্যৰ প্ৰসংগ উত্থাপন কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে দেশৰ চহকী লোক-সংস্কৃতিৰ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্ৰত শিল্পীসকলে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

*(বাইট ঃ ৰাষ্ট্ৰপতি)*

দেশৰ বহু লোক কলা আৰু সংস্কৃতি ইতিমধ্যে বিলুপ্তিৰ দিশলৈ গতি কৰা প্ৰসংগ উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে এইসমূহ সংৰক্ষণৰ ক্ষেত্ৰত পদ্ধতিগত ব্যৱস্থা গ্ৰহণ কৰা উচিত বুলি মন্তব্য কৰে। তেওঁ কয়, যে এনে শিল্প কলাৰ ৰূপসমহূ নথিভুক্তকৰণ কৰা আৰু এইবোৰক জীৱন্ত কৰি ৰাখিবলৈ বিশেষ প্ৰচেষ্টা  চলোৱাটো সময়ৰ আহ্বান। সংগীত নাটক একাডেমীয়ে কলা-দীক্ষা কাৰ্যসূচী আয়োজন কৰাকলৈও তেওঁ সন্তোষ প্ৰকাশ কৰে। ভাষণ প্ৰসংগত তেওঁ জ্যেষ্ঠ শিল্পীসকলক পৰৱৰ্তী প্ৰজন্মক প্ৰশিক্ষিত কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডা, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰকে ধৰি কেইবাগৰাকীও কেন্দ্ৰীয় মন্ত্ৰীয়ে আজি হ'ৰ ঘৰ ত্ৰিৰংগা কাৰ্যসূচীত অংশগ্ৰহণ কৰে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে এই অভিযানে প্ৰতিগৰাকী ভাৰতীয়ৰ হৃদয়ত দেশপ্ৰেমৰ ভাৱনা আৰু গৌৰৱবোধক অধিক শক্তিশালী কৰি তুলিছে। নতুন দিল্লীৰ নিজৰ বাসগৃহৰ পৰা এই অভিযানত অংশগ্ৰহণ কৰি শ্ৰী শ্বাহে কয়, যে দেশৰ কোটি কোটি নাগৰিক ত্ৰিৰংগাৰ সৈতে একাত্ম হৈ এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ মনোভাৱক সুদৃঢ় কৰিছে।

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই সামাজিক মাধ্যমযোগে দিয়া বাৰ্তাত কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আহ্বান মৰ্মে সমগ্ৰ দেশে হ'ৰ ঘৰ ত্ৰিৰংগা অভিযান উদযাপন কৰিছে। কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰেও নিজৰ সামাজিক মাধ্যমৰ একাউণ্টত ৰাষ্ট্ৰীয় পতাকাৰ সৈতে তোলা এখন আলোকচিত্ৰ শ্বেয়াৰ কৰিছে।

০০০০০

কয়লা আৰু খনি মন্ত্ৰী জি কিষাণ ৰেড্ডীয়ে সংসদত আজি গৃহীত হোৱা খনি আৰু খনিজ পদাৰ্থ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) বিধেয়কখনে ৰাজ্যৰ অধিকাৰ সমূহৰ লগতে বৰ্তমানৰ ৰাজহ ব্যৱস্থাৰ গাঠনিৰ ওপৰত কোনো প্ৰভাৱ নেপেলায় বুলি মন্তব্য কৰিছে। নতুন দিল্লীত আজি এখন সংবাদমেলত শ্ৰী ৰেড্ডীয়ে কয়, যে এই বিধেয়কখনে প্ৰধান খনিজ পদাৰ্থসমূহৰ উৎপাদন বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব। তেওঁ কয়, যে কেন্দ্ৰীয় চৰকাৰে বৰ্তমানৰ খনিৰ ক্ষেত্ৰখনত বিনিয়োগ আৰু নিয়োগৰ সুবিধা বৃদ্ধি কৰাৰ ওপৰত কাম কৰাৰ চেষ্টা কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ বৰ্তমানৰ ৰাজহৰ অংশ পূৰ্বৰ ৬৫ শতাংশৰ পৰা বৰ্তমান ৮৫ শতাংশলৈ বৃদ্ধি হৈছে। শ্ৰী ৰেড্ডীয়ে লগতে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ সুস্থ নেতৃত্বৰ বাবে ৰাজ্যসমূহৰ খনিজ সামগ্ৰীৰ ৰাজহৰ পৰিমাণ বৰ্তমান ২৩ শতাংশলৈ বৃদ্ধি পাইছে। চৰকাৰে খনিজ পদাৰ্থ উৎপাদন, নিয়োগ বৃদ্ধি, ৰাজ্যসমূহক বিত্তীয়ভাৱে শক্তিশালী কৰা আৰু কয়লা তথা খনিজ পদাৰ্থৰ আমদানিৰ বাবে আন দেশৰ ওপৰত যাতে নিৰ্ভৰশীল হ'বলগা নহয় তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি কাম কৰি আহিছে বুলিও ৰেড্ডীয়ে মন্তব্য কৰে।

০০০০০

সংসদৰ উভয় সদনৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্টকাললৈ স্থগিত ৰখা হৈছে। যোৱা ২০ জুলাইত আৰম্ভ হোৱা সংসদৰ এই ২৫ দিনীয়া বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাত মুঠ ১৯ দিন বৈঠক অনুষ্ঠিত হয়। অধিৱেশনৰ সময়ছোৱাত বিভিন্ন আইনী আৰু ৰাষ্ট্ৰীয় বিষয়ক লৈ আলোচনা অনুষ্ঠিত হয়।

ৰাজ্যসভাত আজি খনি আৰু খনিজাত পদাৰ্থ উন্নয়ন আৰু নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক গৃহীত হয়। ইয়াৰ লগে লগে বিধেয়কখনে সংসদৰ উভয় সদনৰ অনুমোদন লাভ কৰে। এই বিধেয়কখনৰ জৰিয়তে দেশৰ খনন খণ্ডক অধিক দক্ষ, বিনিয়োগ অনুকুল আৰু দেশৰ গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ বৰ্ধিত চাহিদা পূৰণ কৰিব পৰাকৈ সুসজ্জিত কৰি তুলিব বিচৰা হৈছে। উচ্চ সদনৰ কাম-কাজ অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখাৰ পূৰ্বে দিয়া সামৰণি মন্তব্যত ৰাজ্য সভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে সদনৰ কাম-কাজ বাৰে বাৰে ব্যাহত হোৱাক লৈ উদ্বেগ প্ৰকাশ কৰে। তেওঁ কয়, যে সদনৰ মজিয়া সকলোৰে বাবে খোলা যদিও সদস্যসকলে জনসাধাৰণৰ বিষয়সমূহ উত্থাপন কৰাৰ বাবে লাভ কৰা সুযোগৰ পূৰ্ণ ব্যৱহাৰ কৰাত ব্যৰ্থ হোৱাটো দুখৰ কথা। সদনে অৱশ্যে অধিৱেশনৰ সময়ছোৱাত ১২ খনকৈ বিধেয়ক গ্ৰহণ কৰি ইয়াৰ বিধায়িনী দায়িত্ব পালন কৰিবলৈ সমৰ্থ হয় বুলি সভাপতিগৰাকীয়ে মন্তব্য কৰে। শ্ৰী ৰাধাকৃষ্ণণে কয়, যে অধিৱেশনৰ সময়ছোৱাত মাত্ৰ ৩৭ ঘণ্টা আৰু ৪৯ মিনিটতহে কাম-কাজ হয় আৰু সেই অনুসাৰে অধিৱেশনৰ সময়ছোৱাত কাম-কাজৰ হাৰ ৩৯ দশমিক ১ - ৭ শতাংশ হৈছে।

ইয়াৰ পূৰ্বে উচ্চ সদনত বিৰোধী পক্ষৰ নেতা তথা কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই তেওঁৰ ৰাজহুৱা সভাৰ পাছত উত্তৰাখণ্ডৰ হলদোৱানিৰ ৰামলীলা ময়দানত যজ্ঞ সম্পন্ন কৰাৰ বিষয় উত্থাপন কৰে। কংগ্ৰেছ নেতাগৰাকীয়ে কয়, যে তেওঁ ৰামলীলা ময়দানৰ সমাৰেশত দিয়া ভাষণত কোনো সম্প্ৰদায় অথবা ধৰ্মৰ বিষয়ে উল্লেখ কৰা নাছিল।

ইয়াৰ পাছতে সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই বিৰোধী পক্ষৰ নেতাগৰাকীয়ে উত্থাপন কৰা বিষয়টোৰ তদন্ত কৰা হ'ব বুলি সদনক আশ্বাস দিয়ে।

ooooo

সংসদৰ বৰ্ষাকালীন অধিৱেশনত বিৰোধী দলসমূহে হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি কৰি সদনৰ কামকাজ ব্যাহত কৰাৰ অভিযোগ উত্থাপন কৰি আজি বিজেপিয়ে কংগ্ৰেছৰ লগতে বিৰোধী দলসমূহক তীব্ৰ সমালোচনা কৰে। নতুন দিল্লীত এখন সংবাদমেল সম্বোধন কৰি বিজেপিৰ জ্যেষ্ঠ নেতা ৰবিশংকৰ প্ৰসাদে কয়, যে চৰকাৰ যিকোনো আলোচনাৰ বাবে সাজু আছিল যদিও লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধীয়ে বিষয়সমূহ সঘনাই সলনি কৰি আছিল। সুস্থ গণতন্ত্ৰৰ বাবে এনে পৰিৱেশ কেতিয়াও কাম্য নহয় বুলিও ৰবিশংকৰ প্ৰসাদে সংবাদমেলত মন্তব্য কৰে।

ooooo

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ে নতুন দিল্লীত দুদিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা এনিমিয়া মুক্ত ভাৰত অভিযানৰ কৰ্মশালাৰ আজি সামৰণি পৰে। এই কৰ্মশালাত দেশৰ সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ পৰা ১৬০ গৰাকীৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। মন্ত্ৰালয়ে জনোৱা মতে কৰ্মশালাত এই অভিযান অধিক শক্তিশালী কৰাৰ লগতে দেশৰ প্ৰতিটো অঞ্চলৰ নাগৰিকক যাতে অভিযানে সামৰি ল'ব পাৰে, সেই সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। এই উপলক্ষে ভাষণ প্ৰদান কৰি কেন্দ্ৰীয় স্বাস্থ্য সচিব পূণ্য চলিলা শ্ৰীবাস্তৱে কয়, যে ৰক্তহীনতা বা এনিমিয়া সমস্যা নিৰ্মূলৰ বাবে স্বাস্থ্য মন্ত্ৰালয়ে ক্ষীপ্ৰ গতিৰে কাম কৰি গৈছে। ইয়াৰ বাবে বিভিন্ন মন্ত্ৰালয়সমূহৰ মাজত সমন্বয়ৰ প্ৰয়োজন বুলিও তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে।

ooooo

কানাডিয়ান অ'পেন টেনিছ প্ৰতিযোগিতাত যোৱাবাৰৰ বিজয়ী বেন শ্বেল্টন ফাইনেলত ব্ৰেণ্ডন নাকাশ্বিমাৰ মুখামুখি হ'ব। কাইলৈ মণ্ট্ৰিয়েলত প্ৰতিযোগিতাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব। ইয়াৰ পূৰ্বে পুৰুষৰ একক ছেমি ফাইনেলত আমেৰিকান খেলুৱৈ ব্ৰেণ্ডন নাকাচিমাই স্পেইনৰ ৰাফেল জদাৰক ৭-৬, ৬-৪ ছেটত পৰাস্ত কৰি কানাডিয়ান অ'পেন ফাইনেল প্ৰতিযোগিতালৈ যোগ্যতা অৰ্জন কৰিছে।

আজি অনুষ্ঠিত অন্য এখন ছেমি ফাইনেলত যোৱাবাৰৰ বিজয়ী বেন শ্বেল্টনে আমেৰিকান খেলুৱৈ লিয়াৰ্নাৰ টায়েনক ৬-২, ৬-৩-ৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে।

ইফালে, মহিলাৰ একক প্ৰতিযোগিতাত টৰণ্টোত অনুষ্ঠিত ছেমি ফাইনেলত কক'গাফে এলেনা ৰায়বাকিনাক ৬-৪, ৬-৭ ছেটত পৰাস্ত কৰে। টৰণ্টোতে অনুষ্ঠিত আন এখন ছেমি ফাইনেলত ইগা শ্বুইটেকে এলিনা শ্বিট'লিনাক ৬-৩, ১-৬, ৬-৩ৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

**সমাপ্ত**